জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৩৩/২০২০

<u>নৱম মৃত্যু বাৰ্ষিকীত সুধাকণ্ঠলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# ড° ভূপেন হাজৰিকাৰ সৃষ্টিৰাজিয়ে সমাজত সমন্বয় আৰু ভাতৃত্ববোধৰ বান্ধোন সুদৃঢ় কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৫ নৱেম্বৰ ঃ** 'ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ সৃষ্টিৰাজিয়ে সমাজত সমন্বয় আৰু ভাতৃত্ববোধৰ বান্ধোন সুদৃঢ় কৰিছে। এইগৰাকী মহান শিল্পীৰ কৰ্মৰাজিয়ে অসমীয়া জাতিক বিশ্বৰ বুকুত প্ৰতিষ্ঠা হোৱাত সাঁকোৰ দৰে কাম কৰিছে। তেখেতৰ গীত আৰু সাহিত্যই অসমীয়া জাতিক বিশ্বৰ বুকুত সুদৃঢ়ভাৱে চিনাকী কৰাই দিয়াৰ ক্ষেত্ৰত এক সৱল মঞ্চ প্ৰদান কৰিছে। ভূপেনদাক লৈ অসমীয়া জাতিয়ে গৌৰৱ অনুভৱ কৰে। তেখেতৰ জীৱন আৰু কৰ্মৰ বিষয়ে আমি যিমানে চিন্তা কৰো এই উপলব্ধি আমাৰ মাজত অধিক গভীৰ হয়'। আজি সুধাকণ্ঠ ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ নৱম মৃত্যু বাৰ্ষিকী উপলক্ষে জালুকবাৰীত থকা তেখেতৰ সমাধিক্ষেত্ৰত সাংস্কৃতিক সঞ্চালকালয়ৰ দ্বাৰা আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। মুখ্যমন্ত্ৰীয়ে শিল্পীগৰাকীৰ মৃত্যু তিথি উপলক্ষে তেখেতৰ সমাধিস্থলীত পুষ্পাৰ্ঘ্য অৰ্পণেৰে মহান শিল্পীগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ড° ভূপেন হাজৰিকাই গীতৰ মাজেৰে সমাজত সমন্বয়ৰ সোঁত বোৱাবলৈ চেষ্টা কৰিছিল। সকলোকে আঁকোৱালি লৈ সমন্বয়ৰ সমাজ গঢ়িবলৈ তেখেতে প্ৰয়াস কৰিছিল। মুখ্যমন্ত্ৰীয়ে তেখেতৰ আদৰ্শৰে ৰাজ্যখনত শান্তি-সম্প্ৰীতি তথা যাউতিযুগীয়া ভাতৃত্ববোধৰ এনাজৰী সুদৃঢ় কৰাৰ কামত সকলোকে মাৰ বান্ধি থিয় হ'বলৈ আহ্বান জনায়।

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই ভৌগোলিক সীমাৰ পৰিধি নেওচি বিশ্বৰ সাংস্কৃতিক মানচিত্ৰত বৃহত্তৰ অসমীয়া জাতিক দৃঢ়তাৰে চিনাকী কৰাই গৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এই মহান শিল্পী গৰাকী হৈছে জাতিটোৰ পথ প্ৰদৰ্শক। তেখেতৰ আদৰ্শৰে আগুৱাই অসমীয়া জাতিয়ে বিশ্ব বিজয় কৰিব লাগিব। নৱ প্ৰজন্মক সুধাকণ্ঠৰ জীৱন, কৰ্মৰাজি আৰু সৃষ্টিৰাজিৰ বিষয়ে গভীৰ অধ্যয়ন কৰিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে নৱ প্ৰজন্মই এই মহান শিল্পীগৰাকীৰ সৃষ্টিৰাজি গভীৰ ভাৱে অধ্যয়ন কৰিলে তেওঁলোকৰ মাজত মানৱীয় প্ৰমূল্যবোধ প্ৰগাঢ় হোৱাৰ লগতে বহল দৃষ্টিভংগীৰ গৰাকী হ'বলৈ সক্ষম হ'ব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী নৱ কুমাৰ দলেই কয় যে সুধাকণ্ঠৰ গীত-মাতে অসমীয়া জাতিক সদায় প্ৰেৰণা যোগাই আহিছে। অসমবাসীৰ হৃদয়ত এই মহান শিল্পী গৰাকী যুগ-যুগান্তৰলৈ জীয়াই থাকিব। এই বিশ্ববিশ্ৰুত শিল্পীগৰাকীৰ স্মৃতি চিৰযুগমীয়া কৰিবলৈ অসম চৰকাৰে নিৰলস প্ৰয়াস অব্যাহত ৰাখিছে। মন্ত্ৰীগৰাকীয়ে কয় যে এই পদক্ষেপৰ অংশ হিচাপে বিগত বৰ্ষত সুধাকণ্ঠৰ সমাধিক্ষেত্ৰত 'সোণোৱালী সময়' নামেৰে এক সংগ্ৰহালয় মুকলি কৰা হৈছে।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে অনষ্ঠানত ভাষণ প্ৰদান কৰি কয় যে ড° ভূপেন হাজৰিকাই ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীক লগত লৈ অসমীয়া জাতিক তমসাৰ পৰা পোহৰলৈ আগুৱাই নিছিল। এই গৰাকী মহান শিল্পীয়ে মানৱতাৰ গান গাইছিল। তেখেতৰ সৃষ্টিৰাজিত সংস্কাৰ, মূল্যবোধ, মানৱতা আৰু জীৱনৰ গান আছে। মানুহৰ জীৱন মৃত্যুৰ দাপোনত প্ৰতিবিম্বিত হয় বুলি মন্তব্য কৰি মিডিয়া উপদেষ্টা গৰাকীয়ে কয় যে ভূপেন হাজৰিকাৰ মৃত্যুত জজ ফিল্ডলৈ বোৱা জনস্ৰোতে তেখেতৰ জীৱনৰ বিশালতা প্ৰমাণ কৰি গৈছে। সুধাকণ্ঠৰ গীতে অসমীয়া জাতিক সঞ্জীৱনী সুধা প্ৰদান কৰিছিল বুলি উল্লেখ কৰি গোস্বামীয়ে কয় যে অসমীয়া লোক-সংস্কৃতিক তেখেতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত তুলি ধৰিছিল। ভূপেন হাজৰিকাৰ সৈতে নিজৰ জীৱনৰ বহু স্মৃতি ৰোমন্থন কৰি মিডিয়া উপদেষ্টাগৰাকীয়ে কয় যে এই বিশ্ববৰেণ্য শিল্পীগৰাকীৰ প্ৰতি ৰাইজৰ ভালপোৱা আছিল অকৃত্ৰিম। যাযাবৰী শিল্পীগৰাকীৰ গীতৰ শব্দ বিন্যাসৰ বিষয়ে আলোকপাত কৰাৰ লগতে গোস্বামীয়ে সুধাকণ্ঠৰ কেইবাটাও কালজয়ী গীতৰ কলি আওৰাই কয় যে স্ব-প্ৰতিভা, স্ব-মহিমা আৰু স্বাভিমানেৰে এই মহান শিল্পীগৰাকী জনতাৰ মাজত সদায় জীয়াই থাকিব।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক বিষ্ণুকমল বৰাই আদৰণি ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব প্ৰীতম কুমাৰ শইকীয়া প্ৰমুখ্যে বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

**বীঃগঃ**
**৫/১১/২০২০**